بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ

# খোতবা জুমা

## কোৰআন কৰিম, নবী কৰিম (ছাঃ)ৰ হাদীছসমূহ আৰু হজৰত মছীহ মাওউদ (আঃ)ৰ উপদেশসমূহৰ আলোকত প্ৰচাৰ সন্দৰ্ভত গুৰুত্বপূৰ্ণ উপদেশ

**ছৈয়দিনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল-খামিছ (আইঃ)য়ে ১২ ডিচেম্বৰ ২০২৫ চনত মছজিদ মোবাৰক ইছলামাবাদ ইউ.কেত প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ**

أَشْهَدُ أَنْ لَا إِلٰهَ إِلَّا اللّٰهُ وَحْدَهٗ لَا شَرِيْكَ لَهٗ وَأَشْهَدُ أَنَّ مُحَمَّدًا عَبْدُهٗ وَرَسُوْلُهٗ أَمَّا بَعْدُ فَأَعُوْذُ بِاللّٰهِ مِنَ الشَّيْطٰنِ الرَّجِيْمِ۔ بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ۔ اَلۡحَمۡدُ لِلّٰہِ رَبِّ الۡعٰلَمِیۡنَ۔ الرَّحۡمٰنِ الرَّحِیۡمِ۔ مٰلِکِ یَوۡمِ الدِّیۡنِ۔ اِیَّاکَ نَعۡبُدُ وَ اِیَّاکَ نَسۡتَعِیۡنُ۔ اِہۡدِنَا الصِّرَاطَ الۡمُسۡتَقِیۡمَ۔ صِرَاطَ الَّذِیۡنَ اَنۡعَمۡتَ عَلَیۡہِمۡ ۬ۙ غَیۡرِ الۡمَغۡضُوۡبِ عَلَیۡہِمۡ وَ لَا الضَّآلِّیۡنَ۔

তাছাহুদ তাউজ আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে ছুৰা নহলৰ ১২৬ নং আয়াত পাঠ কৰে আৰু ইয়াৰ অনুবাদ কৰি কয়, ইয়াৰ অনুবাদ এনেদৰে- নিজৰ প্ৰভুৰ ফালে প্ৰজ্ঞা আৰু ভাল উপদেশৰ সৈতে মানুহক আহ্বান কৰা, আৰু তেওঁলোকৰ সৈতে উত্তম পদ্ধতিত যুক্তিৰে বিতৰ্ক কৰা। তোমাৰ প্ৰভুৱে নিশ্চয় ভালদৰে জানে কোনে তেওঁৰ পথৰ পৰা দিশসাৰা হৈছে সেইজনা সৰ্বজ্ঞানী, পথ প্ৰদৰ্শনকাৰী সকলৰ বিষয়ে সকলোতকৈ অধিক জ্ঞান ৰাখে।

কোৰআন শ্বৰীফত আল্লাহ তা'লাই উত্তম পদ্ধতিৰে প্ৰচাৰ কৰাৰ প্ৰতি পথ প্ৰদৰ্শন কৰিছে যাতে আনৰ ওপৰত প্ৰভাৱ পৰে আৰু ইয়াৰ পৰা উপকৃতও হ'ব পাৰে। যিসকলে এই পথত পৰিচালিত হয়, আল্লাহ তা'লাৰ কৃপাত তেওঁলোকে যথেষ্ট পৰিমাণে সফলতা লাভ কৰে। গতিকে এই নীতি সদায় নিজৰ সন্মুখত ৰখা উচিত। আজাকালি ছ'চিয়েল মিডিয়াৰ বাবে লোকসকলে ভাৱে যে তবলিগ (প্ৰচাৰ)ৰ কাম বহু সহজ হৈ পৰিছে, কিন্তু তবলিগৰ বাবে কিছুমান চৰ্ত আৰু শিষ্টাচাৰ আছে যিবোৰ সদায় মনত ৰখা উচিত, অন্যথা ইয়াৰ বিপৰীত প্ৰভাৱ পৰে। সেয়ে এই কথা সদায় মনত ৰখা উচিত যে আমি যি তবলিগ (প্ৰচাৰ) কৰিম সেয়া উত্তম পদ্ধতিৰে কৰিব লাগিব।

এবাৰ হজৰত মছীহ মাউউদ (আঃ)য়ে তবলিগ সন্দৰ্ভত গুৰুত্বপূৰ্ণ পথ নিৰ্দেশনা প্ৰদান কৰিছে। তেখেত (আঃ)য়ে কৈছে, যিসকলে ইছলামী ইতিহাস সম্পূৰ্ণৰূপে নাজানে, ইয়াৰ উত্তম গুণাৱলীৰ

বিষয়ে অপৰিচিত আৰু বৰ্তমান সময়ৰ সমালোচকৰ উত্তৰৰ বিষয়ে সম্পূৰ্ণৰূপে সচেতন নহয় আৰু পৱিত্ৰ আত্মাৰ শিক্ষাৰ পৰা বঞ্চিত, তেওঁলোকে আমাৰ অধিবক্তা হিচাপে কাম কৰাটো মই কেতিয়া উপযুক্ত বুলি নাভাৱো। তেখেতে কৈছে যে মোৰ প্ৰচাৰকসকলৰ আল্লাহ তা'লাৰ সৈতে এক বিশেষ সম্পৰ্ক স্থাপন হোৱা উচিত, যাতে আল্লাহ তা'লাই তেওঁলোকৰ সহায় কৰে।

তবলিগ (প্ৰচাৰ) সম্পৰ্কে প্ৰথম কথা এইটো স্মৰণ ৰখা উচিত যে ইছলাম সেই একমাত্ৰ ধৰ্ম আৰু আঁহজৰত (ছাঃ)সেই নবী যিয়ে পৃথিৱীত আল্লাহ তা'লাৰ সেই পয়গাম (বাৰ্তা) লৈ আহিছে যিবোৰ সমগ্ৰ বিশ্বৰ নিমিত্তে, তথা আল্লাহ তা'লাই তেখেত (ছাঃ)ক সমগ্ৰ জগতৰ আৰু জাতিৰ বাবে শুভ সংবাদকাৰী আৰু সতৰ্ককাৰী হিচাপে প্ৰেৰণ কৰিছে। আঁহজৰত (ছাঃ)য়ে তবলিগৰ বাবে যি আদেশ আৰু পথ নিৰ্দেশনা প্ৰদান কৰিছে সেয়া সদায় মনত ৰখা উচিত। এটা আদেশ দিছে যে লোকসকলৰ বিবেক-বুদ্ধি অনুসৰি তেওঁলোকৰ সৈতে কথা পাতিব। এটা দিশ এইটো যে নিপীড়িত সকলৰ কু-দোৱাৰ পৰা আঁতৰি থাকিব। প্ৰচাৰক সকলৰ সদায় নিজৰ আচাৰ-আচৰণ উচ্চ পৰ্যায়ৰ হোৱা উচিত। জনসাধাৰণৰ অধিকাৰ পালন কৰাৰ ক্ষেত্ৰত এনেকুৱা হোৱা উচিত যে তেওঁলোকে যেন কেতিয়াও নিপীড়িত লোকসকলৰ কু-দোৱাৰ ভাগীদাৰী নহয়। কৈছে এই কাৰণে এনে কাম পৰিহাৰ কৰিব, যাতে তেওঁৰ আৰু আল্লাহৰ মাজত কোনো বাধা সৃষ্টি নহয়।

হুজুৰ আনোৱাৰ (আইঃ)য়ে হজৰত মছীহ মাওউদৰ উদ্ধৃতি উল্লেখ কৰি কয় যে খোদা তা'লাই আমাৰ ওপৰত বাধ্যত্যমূলক কৰিছে যে মিছা অভিযোগ সমূহ প্ৰজ্ঞা আৰু উৎকৃষ্ট কথাৰে আঁতৰ কৰিব। এইটো মনত ৰখা উচিত যে আমাৰ তবলিগ যেন নৈতিকতাৰ ওপৰত ভিত্তি কৰি কৰা হয়। কিছুমান লোকে কয় যে হজৰত মছীহ মাওউদ (আঃ)য়েও কঠোৰতা অৱলম্বন কৰিছে। প্ৰথম কথাটো হ'ল যে তেখেত (আঃ)য়ে কঠোৰতা প্ৰয়োগ কৰা নাই। তেখেত (আঃ)য়ে তেখেতৰ বিভিন্ন গ্ৰন্থাৱলীত কঠোৰ শব্দ অৱলম্বন কৰিববলৈ নিষেধ কৰিছে, তেখেত (আঃ)য়ে কৈছে যে কিছুমান ঠাইত বাধ্যতামূলক পৰিস্থিতিত কঠোৰ শব্দ ব্যৱহাৰ কৰা হৈছিল, সেইবোৰ তেওঁলোকৰ ইতিহাসৰ পটভূমিত কৰা হৈছিল। তেওঁলোকৰ দৰে গালি-গালাজ আৰু অশ্লীল ভাষা প্ৰয়োগ কৰা নাই।

হজৰত মুচলেহ মাওউদ (ৰাঃ)য়েও তফছিৰে কাবিৰত **উদয়ু ইলা ৰাববিকা বিলহিকমাতি**ৰ ৰ ব্যাখ্যা কৰি আক্ষেপৰ সৈতে কৈছিল যে যদি মুছলমান সকলে এই কথা বুজিব পাৰিলেহেঁতেন তেন্তে ইহুদী আৰু খ্ৰীষ্টান সকলক পৰাভূত কৰিব পাৰিলেহেঁতেন। আমাৰ অস্ত্ৰ হ'ল কোৰআন কৰিম; ইয়াৰ বিষয়ে খোদা তা'লাই কৈছে যে এই কোৰআনখন তৰোৱাল হিচাপে লৈ পৃথিৱীৰ বুকুত জেহাদ কৰিববলৈ থিয় হওঁক। কিন্তু দুঃখৰ বিষয় যে আজি পৃথিৱীৰ সমগ্ৰ বস্তু মুছলমান সকলৰ হাতত আছে, যদিও নাই, তেন্তে এই তৰোৱাল (কোৰআন) যিটোক লৈ খোদা তা'লাই থিয় হোৱাৰ নিৰ্দেশ দিছে সেয়া লৈ থিয় হওঁক। আজি জামাত আহমদীয়াৰ মূল দায়িত্ব হ'ল ইছলামৰ বাৰ্তা জগতবাসীক কওঁক যে ধৰ্মত কেৱল শুষ্ক যুক্তি নাই, বৰঞ্চ উপদেশৰ বিভিন্ন দিশ আছে, সেইবোৰৰ ওপৰত পৰিচালিত হোৱা জৰুৰী। আকৌ কৈছে যে আবেগ জগাই তোলা কথা-বতৰা কৰিব আৰু প্ৰজ্ঞাৰ সৈতে আৰু উৎকৃষ্ট কথাৰে কথা পাতিব।

আকৌ আল্লাহ তা'লাই কৈছে যে তোমালোকে ভালদৰে প্ৰচাৰৰ কাম কৰি যোৱা, যদি লোকসকলে অস্বীকাৰ কৰে তেন্তে সেই ফলাফলক লৈ নিৰাশ নহ'বা যে আমি প্ৰচাৰ কৰিব নাজানো, সম্ভৱত

তোমালোকৰ তবলিগত কোনো ত্ৰুটি আছে, কিন্তু সম্বোধন কৰা ব্যক্তিৰ হৃদয় পাপেৰে ইমানে মামৰ লাগি গৈছে যে খোদা তা'লাই তেওঁৰ হৃদয়ৰ খিৰিকিখন মুকলি কৰা নাই। আমি তবলিগৰ কাম কৰি থকা উচিত, এইটোৱে হৈছে মূল উদ্দেশ্য। আমাৰ কাম হৈছে তবলিগ কৰি যোৱা, ফলাফল উলিওৱা আৰু প্ৰভাৱ সৃষ্টি কৰা খোদা তা'লাৰ কাম।

হজৰত মছীহ মাওউদ (আঃ)য়ে কৈছে তোমালোকে মোৰ কথা শুনি মনত ৰাখিবা যে যদি মানুহৰ কথা-বতৰা আন্তৰিক হৃদয়ৰ নহয়, তেন্তে সেইটোৱে কৰ্মৰ ক্ষেত্ৰত কোনো শক্তি লাভ নকৰে, আৰু সেয়া ফলপ্ৰসূও নহয়। তেখেত (আঃ)য়ে আন ঠাইত কৈছে এজন মোমিনে কেতিয়াও দুমুখীয়া নীতি অৱলম্বন কৰা উচিত নহয়, তেতিয়াহে তবলিগৰ কামত কল্যাণ বৰ্ষিত হ'ব। তেখেত (আঃ)য়ে আন ঠাইত কৈছে যে এটা কথা একেই পদ্ধতিৰে কোৱাৰ ফলত এজন ব্যক্তি শত্ৰু হ'ব পাৰে, আৰু আনজন ব্যক্তি বন্ধু হ'ব পাৰে। গতিকে, তেওঁলোকৰ সৈতে উত্তম কথাৰে কথা পতা, যিদৰে তেওঁলোকে সন্তুষ্ট হয়। এনে পদ্ধতি অৱলম্বন কৰাটোকে খোদা তা'লাই হিকমত (প্ৰজ্ঞা) বুলি কৈছে।

আকৌ তেখেত (আঃ)য়ে কৈছে যে যেতিয়া কথা পাতিবা তেতিয়া চিন্তা-চেতনাৰে চমু কথা পাতিবা। কেতিয়াবা চমু কৌতুক এটা এৰি থৈ যায় যিটো পোনে পোনে কাণত সোমাই যায়, যদিও কেতিয়াবা সম্ভৱ হয়, সেইটোৱে সঠিক। গতিকে সত্যৰ পয়গাম ক্ৰমান্বয়ে দি থাকিব, ভাগৰি নপৰিব। আজিকালি লোকসকল লৌকিক জগতত আৱদ্ধ হৈ পৰিছে, তেওঁলোকক বুজোৱাটো কঠিন। যদি আমাৰ আচাৰ-আচৰণ ভাল হয় তেতিয়া লোকসকলৰ প্ৰৱণতা নিজে নিজেই আমাৰ প্ৰতি আকৃষ্ট হ'ব। তেখেত (আঃ)য়ে কৈছে যে মনত ৰাখিবা প্ৰতিটো তলাৰ বাবে এখন চাবি থাকে। কথাৰ বাবে এখন চাবি আছে, সেইটো হৈছে উপযুক্ত শৈলী। এইটো নহয় যে সকলোৰে সৈতে একেদৰে কথা পাতিব। বক্তাৰ কাম হৈছে কোনোবাই বেয়াকৈ কলে বেয়া নাপাব, বৰঞ্চ নিজৰ কাম কৰি যাব আৰু ভাগৰি নপৰিব।

হজৰত মছীহ মাওউদ (আঃ)য়ে নিজৰ জামাতক হিদায়ত কৰি কৈছে যে যিদৰে নামাজ, ৰোজা, হজ্ব আৰু জাকাত ইছলামৰ এনেকুৱা নিৰ্দেশ, যাৰ ওপৰত পৰিচালিত হোৱা সকলো সময়তে জৰুৰী, এইদৰে জেহাদো এনেকুৱা কৰ্ম যাৰ ওপৰত পৰিচালিত হোৱা সকলো সময়তে জৰুৰী। কৈছে যে এতিয়া তোমালোকৰ জেহাদ হৈছে কলমৰ জেহাদ। গতিকে কলমৰ জেহাদৰ জৰিয়তে জগতবাসীক কোৱা উচিত যে এফালে তেওঁলোকে এই কথা স্বীকাৰ কৰে যে মছীহ ও মাহদীৰ আগমন হ'ব, আনফালে সেইটো অস্বীকাৰ কৰে। আমি যদি তেওঁলোকৰ আক্ষৰিক অৰ্থক লৈ বিবাদত লিপ্ত হওঁ, তেন্তে ইয়াৰ পৰা আমাৰ কোনো লাভ নহ'ব। তেওঁলোকক কোৱা উচিত যে আমাৰ মূল উদ্দেশ্য হৈছে বিশ্বৰ বুকুত ইছলামৰ বিজয় লাভ কৰা, কিয়নো আঁহজৰত (ছাঃ)য়ে সমগ্ৰ জগতৰ বাবে নবী আৰু ৰছুল হৈ প্ৰেৰণ হৈছে। আজি আমাৰ সংখ্যা পৃথিৱীৰ জনসংখ্যাৰ এক চতুৰ্থাংশতকৈও কম। যেতিয়ালৈকে আমি জগতখন ইছলামৰ পতাকাৰ তলত লৈ নাহো, তেন্তে আমি কেনেকৈ ক'ব পাৰিম যে বহু কাম কৰিছোঁ। এইটো হৈছে আমাৰ কাম, এইদৰে জেহাদ কৰিব; তেতিয়াহে আমাৰ জেহাদ সফল হ'ব।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কৈছে মুৰব্বী সকলক মই ক'ব বিচাৰো যে তেওঁলোকৰ দায়িত্বত বহুত ডাঙৰ কাম আছে। তেওঁলোকৰ কাম কেৱল জামাতৰ প্ৰশিক্ষণ কৰাই নহয়, বৰঞ্চ প্ৰশিক্ষণৰ

লগতে জামাতৰ সদস্যসকলক আল্লাহ তা'লাৰ সৈতে সম্পৰ্ক স্থাপন কৰোৱা। যেতিয়া তেওঁলোকে এই কাম কৰিব তেতিয়া তেওঁলোকৰ জ্ঞান বৃদ্ধি পাব আৰু তেওঁলোকক এই জেহাদৰ বাবে প্ৰস্তুতো কৰিব পাৰিব। যেতিয়া তেওঁলোকে এনেদৰে কাম কৰিব, তেতিয়াহে নিজৰ অংগীকাৰ পালনকাৰী হ'ব।

শেষত হুজুৰ আনোৱাৰ (আইঃ)য়ে হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে বিভিন্ন সময়ত মুৰব্বী সকলক যি গুৰুত্বপূৰ্ণ উপদেশ দিছে ইয়াৰ সংক্ষিপ্ত সাৰাংশ উপস্থাপন কৰি কৈছে যে তেওঁলোকৰ মাজত হৃদয়ৰ শুদ্ধিকৰণ, নামাজে তাহাজ্জুদ, কোৰআন কৰিমৰ গভীৰ অধ্যয়ন, আল্লাহৰ স্মৰণ আৰু কিতাপসমূহৰ অধ্যয়নৰ অভ্যাস গঢ়ি উঠা উচিত, লগতে আল্লাহৰ ওপৰত ভৰসা অধিক হোৱা উচিত। মানুহৰ সৈতে সম্পৰ্ক উত্তম হোৱা উচিত। বেয়া পৰিহাৰ কৰাৰ চিৰন্তন অভ্যাস হোৱা উচিত। যেতিয়া মুৰব্বী সকলে এনে কামৰ ওপৰত পৰিচালিত হ'ব, তেতিয়া জামাতৰ মাজত নিশ্চয় পৱিত্ৰ আত্মা সৃষ্টি হ'ব। আল্লাহৰ সৈতে সম্পৰ্ক দৃঢ় কৰাৰ অভ্যাস গঢ়ি তুলিব। যেতিয়া এনেদৰে হ'ব, তেতিয়া সেয়াই হ'ব মহান বিপ্লৱ, সেইটো আমাৰ মাজত সৃষ্টি কৰিব লাগিব। আল্লাহ তা'লা সকলোকে ইয়াৰ সৌভাগ্য দান কৰক, আৰু আল্লাহৰ ফালে আহ্বানকাৰী সকলক সঠিক জ্ঞান আহৰণ কৰাৰ, আল্লাহৰ সৈতে দৃঢ় সম্পৰ্ক স্থাপন কৰাৰ, তথা ইছলাম আৰু আহমদীয়তৰ পয়গাম পৃথিৱীৰ প্ৰান্তলৈকে বিস্তাৰ কৰাৰ সৌভাগ্য দান কৰক।

اَلْحَمْدُ لِلّٰهِ نَحْمَدُهٗ وَنَسْتَعِيْنُهٗ وَنَسْتَغْفِرُهٗ وَنُؤْمِنُ بِهٖ وَنَتَوَكَّلُ عَلَيْهِ وَنَعُوْذُ بِاللّٰهِ مِنْ شُرُوْرِ اَنْفُسِنَا
وَمِنْ سَيِّئَاتِ اَعْمَالِنَا مَنْ يَّهْدِهِ اللّٰهُ فَلَا مُضِلَّ لَهٗ وَمَنْ يُّضْلِلْهُ فَلَا هَادِيَ لَهٗ وَنَشْهَدُ اَنْ لَّا اِلٰهَ اِلَّا اللّٰهُ
وَنَشْهَدُ اَنَّ مُحَمَّدًا عَبْدُهٗ وَرَسُوْلُهٗ، عِبَادَ اللّٰهِ رَحِمَكُمُ اللّٰهُ اِنَّ اللّٰهَ يَاْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِيْتَآءِ ذِي الْقُرْبٰى
وَيَنْهٰى عَنِ الْفَحْشَآءِ وَالْمُنْكَرِ وَالْبَغْيِ يَعِظُكُمْ لَعَلَّكُمْ تَذَكَّرُوْنَ اُذْكُرُوا اللّٰهَ يَذْكُرْكُمْ وَادْعُوْهُ يَسْتَجِبْ
لَكُمْ وَلَذِكْرُ اللّٰهِ اَكْبَرُ۔

**ASSAMESE KHULASA KHUTBA JUMA HUZUR ANWAR aba 12 DEC 2025**

## BOOK POST (PRINTED MATTER)

TO,
..........................................................................................................................
..........................................................................................................................
..........................................................................................................................

**NASHOR-O ISHAAT QADIAN, DIST GURDASPUR,143516 PUNJAB**